# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 14-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা শান্তিপূৰ্ণভাৱে সম্পন্ন হোৱা বুলি অসম ৰাজ্যিক নিৰ্বাচন আয়োগে জাননীযোগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে এই বছৰ পঞ্চায়ত নিৰ্বাচনত জিলা পৰিষদ আসনত বিজেপিয়ে ২৭৪ খন, কংগ্ৰেছে ৭২ খন, অগপই ২৭ খন, এ আই ইউ দি এফে ৮ খন, ৰাইজৰ দলে ৩ খন আৰু নিৰ্দলীয়ই ১৩ খন আসনত জয়লাভ কৰিছে। আঞ্চলিক পঞ্চায়তৰ সদস্য পদত বিজেপিয়ে এহেজাৰ ২৬১ খন, কংগ্ৰেছে ৪৮১ খন, অগপই ১৮৪ খন, এ আই ইউ দি এফে ৬৪ খন, ৰাইজৰ দলে ১৭ খন, তৃণমূল কংগ্ৰেছে ৪ খন, অসম জাতীয় পৰিষদে ৩ খন, আম আদমী পাৰ্টীয়ে এখন আৰু নিৰ্দলীয়ই ১৭৩ খন আসনত জয়লাভ কৰিছে।

০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত ভাৰতীয় সেনাবাহিনীয়ে লাভ কৰা সফলতাক জনসাধাৰণৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে আকাশবাণীয়ে কেতবোৰ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি আকাশবাণী দিল্লী কেন্দ্ৰই পৰমবীৰ চক্ৰ লাভ কৰা দেশৰ বীৰ সেনানীসকলৰ বীৰগাঁথা কাইলৈৰ পৰা প্ৰতিখন বাতৰি বুলেটিনতে প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগেও কাইলৈৰ পৰা ইয়াৰ বাতৰি বুলেটিনসমূহত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰ কৰিব। ইয়াৰ উপৰি অহা ১৭ মে'ৰ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত, ১৮ মে'ৰ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰা হ'ব।

০০০০

অসম সাহিত্য সভাৰ ২০২৫ -২০২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিয়ে গ্ৰহণ কৰা সেঁতুবন্ধ কাৰ্যসূচী অহা ১৭, ১৮ আৰু ১৯ মে'ত কাচাৰ, শ্ৰীভূমি আৰু হাইলাকাণ্ডি জিলাত আয়োজন কৰা হৈছে। দেশৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত একতাৰ এনাজৰী সুদৃঢ় কৰিবলৈ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে সেঁতুবন্ধ কাৰ্যসূচী ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই অনুসৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমৰ গোস্বামীৰ নেতৃত্বত আৰু অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ সমিতিৰ সৌজন্যত কাচাৰ, শ্ৰীভূমি আৰু হাইলাকাণ্ডি জিলাত সেঁতুবন্ধ যাত্ৰা-৪ আৰম্ভ কৰা হ'ব। এই অনুষ্ঠানত বৰাক উপত্যকাৰ ভাষা সাহিত্য, কৃষ্টি সংস্কৃতিৰ লগতে অন্যান্য বিষয় সন্দৰ্ভত অধ্যয়ন কৰাৰ লগতে বিশিষ্ট নাগৰিক, কবি, সাহিত্যিক, সাংবাদিক, সাংস্কৃতিক কৰ্মী, বুদ্ধিজীৱি আদিৰ সতেও মত বিনিময় কৰা হ'ব। এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী আৰু বিধায়কসকলে অংশ লব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

চিৰাং জিলাৰ বিজনী অসামৰিক চিকিৎসালয়ত আজি প্ৰসূতি অস্ত্ৰোপচাৰ কেন্দ্ৰ মুকলি কৰা হয়। বিধায়ক অজয় কুমাৰে এই কেন্দ্ৰটো উদ্বোধন কৰে। জিলাখনত ভাৰত-ভূটান সীমান্ত এলেকাকে ধৰি বিজনী মহকুমাৰ প্ৰসূতিৰ ৰোগীসকল এই কেন্দ্ৰৰ জৰিয়তে উপকৃত হ'ব বুলি আশা কৰা হৈছে।

০০০০

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ দৰে যোৰহাটতো জিলা প্ৰশাসনৰ সহযোগত কৃষক পঞ্জীয়ন কাৰ্যসূচী অব্যাহত আছে। জিলা কৃষি বিষয়া কাৰ্যালয় আৰু জিলাখনৰ সাধাৰণ সেৱা কেন্দ্ৰসমূহত এই পঞ্জীয়নৰ ব্যৱস্থা কৰা হৈছে। পঞ্জীয়ন প্ৰক্ৰিয়া ক্ষীপ্ৰ কৰি তোলাৰ বাবে জিলা প্ৰশাসনে গাঁওসমূহত ঘৰে ঘৰে পঞ্জীয়নৰ ব্যৱস্থা হাতত লৈছে। উল্লেখযোগ্য যে কৃষি বিভাগৰ প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিকে ধৰি যিকোনো আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ কৃষক পঞ্জীয়নৰ প্ৰয়োজন হয়।

০০০০

বাৰিষা আগমনৰ লগে লগে ৰাজ্যত সাম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বৰপেটা জিলা প্ৰশাসনে প্ৰস্তুতি আৰম্ভ কৰিছে। এই সন্দৰ্ভত আজি সন্ধিয়া বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত বৰপেটা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিগন্ত বৈশ্যৰ সভাপতিত্বত বান সন্দৰ্ভত কেইবাটাও দিশ আলোচনা কৰা হয়। বান পৰিস্থিতিৰ লগত মোকাবিলা কৰিবলৈ অসম ৰাজ্যিক দুৰ্যোগ প্ৰাধীকৰণে জিলাবোৰলৈ প্ৰেৰণ কৰা পৰামৰ্শৱলীৰো এই  সভাত আলোচনা কৰাৰ লগতে আসোঁৱাহসমূহৰ বিষয়েও পৰ্যালোচনা কৰা হয়। উল্লেখযোগ্য যে প্ৰতিবছৰে বৰপেটা জিলাত বানে ক্ষতি কৰি আহিছে। সাম্ভাব্য বানৰ পূৰ্বেই ক্ষতিৰ মাত্ৰা হ্ৰাস কৰাৰ উদ্দেশ্যে সকলো ব্যৱস্থা সাজু কৰি তুলিবলৈ আজিৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত জিলাখনৰ সকলো চক্ৰ বিষয়া, সকলো খণ্ড উন্নয়ন বিষয়া, বিভাগীয় মুৰব্বী, জিলা প্ৰকল্প বিষয়া, জিলা দুৰ্যোগ প্ৰাধিকৰণৰ প্ৰকল্প বিষয়া আদি উপস্থিত থাকে।

০০০০

দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ বাবে বজালীৰ গোপালদেৱ সেৱক সমাজৰ ৰাজ্যিক অধিবেশন অহা ৩১ মে' আৰু ১ জুনৰ পৰিৱৰ্তে অহা ১২ আৰু ১৩ অক্টোবৰত অনুষ্ঠিত হ'ব। অৱশ্যে ৰাজ্যিক সমিতিৰ অনুমোদনৰ পিছতহে এই সিদ্ধান্ত কাৰ্যকৰী হ'ব বুলি উদ্‌যাপন সমিতিৰ তৰফৰ পৰা জানিবলৈ দিছে।

০০০০

ভাৰত-পাকিস্তানৰ সামৰিক সংঘাটক কেন্দ্ৰ কৰি বাতিল হোৱা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ চমুকৈ আই পি এলৰ খেলসমূহ অহা ১৭ মে'ৰ পৰা পুনৰ আৰম্ভ হ'ব। বি চি চি আইৰ সচিব তথা ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ সঞ্চালক দেৱজিত লন শইকীয়াই ডিব্ৰুগড়ত আজি এই কথা ঘোষণা কৰে। ডিব্ৰুগড় জালান আউটড'ৰ ষ্টেডিয়ামত নতুনকৈ নিৰ্মাণ কৰা আন্তৰাষ্ট্ৰীয় মানৰ ক্ৰিকেট খেলপথাৰ পৰিদৰ্শন কৰি তেওঁ কয়, যে আই পি এলৰ চূড়ান্ত খেলসমূহ অহা ৩ জুনৰ পৰা অনুষ্ঠিত হ'ব। অৱশ্যে চূড়ান্ত খেলৰ বাবে স্থানসমূহ এতিয়াও নিৰ্ধাৰণ কৰা হোৱা নাই।

০০০০

ওদালগুৰি জিলাৰ পানেৰীৰ ধুপগুৰি নাচনশালী গাওঁৰ সমাজকৰ্মী থানুৰাম বৰুৱাৰ আজি বিয়লি পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেঁওৰ বয়স আছিল ৬৫ বছৰ। অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতে জড়িত প্ৰয়াত বৰুৱাৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

০০০০

সমাপ্ত